পৃথিৱী হৈছে উপভোগৰ উপকৰণ (ভোগ সামগ্ৰী), আৰু পৃথিৱীৰ আটাইতকৈ উত্তম উপভোগ্য উপকৰণটো হৈছে পূণ্যৱতী নাৰী।

আব্দুল্লাহ বিন আমৰ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ পৃথিৱী হৈছে উপভোগৰ উপকৰণ (ভোগ সামগ্ৰী), আৰু পৃথিৱীৰ আটাইতকৈ
উত্তম উপভোগ্য উপকৰণটো হৈছে পূণ্যৱতী নাৰী।
[ছহীহ] [(মুছলিম)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, পৃথিৱীত থকা প্ৰতিটো বস্তুৱে হৈছে উপভোগ কৰিব পৰা সামগ্ৰী, আৰু এই সকলোবোৰ হৈছে ক্ষন্তেকীয়া উপভোগ্য সামগ্ৰী। ইয়াৰ মাজত সৰ্বোত্তম উপকৃত হ'ব পৰা সামগ্ৰীটো হৈছে পূণ্যৱতী স্ত্ৰী, যি স্ত্ৰীৰ প্ৰতি স্বামীয়ে দৃষ্টিপাত কৰিলে আনন্দিত হয় আৰু যদি স্বামীয়ে কোনো আদেশ দিয়ে লগে লগে পালন কৰে, লগতে স্বামীৰ অনুপস্থিতিত নিজকে আৰু স্বামীৰ সম্পদক সুৰক্ষিত ৰাখে।

http://sunnah.global/hadeeth/as/show/5794